হে আল্লাহৰ ৰাছুল! ধন-সম্পদ বিনষ্ট হৈ যাব ধৰিছে আৰু (প্ৰখৰ ৰ'দৰ কাৰণে) বাট-পথত ওলাব নোৱাৰা অৱস্থা হৈছে। আপুনি আল্লাহৰ ওচৰত দুআ কৰক তেওঁ যেন আমাক বৰষুণ দান কৰে।

আনাছ ইবনু মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, জুমুআৰ দিনা এজন ব্যক্তিয়ে দাৰুল কাজা (বিচাৰ মীমাংসা কৰা ঠাই)ৰ ফালে থকা দুৱাৰেৰে মছজিদত প্ৰৱেশ কৰিলে। সেই সময়ত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে থিয় হৈ খুতবা দি আছিল। সেই ব্যক্তিজনে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ফালে মুখ কৰি ক'লেঃ হে আল্লাহৰ ৰাছুল! ধন-সম্পদ বিনষ্ট হৈ যাব ধৰিছে আৰু (প্ৰখৰ ৰ'দৰ কাৰণে) বাট-পথত ওলাব নোৱাৰা অৱস্থা হৈছে। আপুনি আল্লাহৰ ওচৰত দুআ কৰক তেওঁ যেন আমাক বৰষুণ দান কৰে। তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে দুয়ো হাত উত্তোলন কৰিলে আৰু এই বুলি দুআ কৰিলেঃ "আল্লাহুম্মা আগিছনা, আল্লাহুম্মা আগিছনা, আল্লাহুম্মা আগিছনা।" আনাছ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ আল্লাহৰ শপত! আমি তেতিয়া আকাশৰ ফালে চাইছিলোঁ আকাশত কোনো মেঘ নাছিল, আনকি মেঘৰ কোনো টুকুৰাও নাছিল। ছালআ পৰ্বত আৰু আমাৰ মাজৰ ঠাইখিনিত কোনো ঘৰ দুৱাৰো নাছিল। হঠাৎ ছালআ পৰ্বতৰ পিছফালৰ পৰা ঢালৰ নিচিনা এটুকুৰা মেঘ আহিল, আৰু মাজ আকাশত আহি সেই মেঘ টুকুৰা প্ৰসাৰিত হৈ পৰিল। ইয়াৰ পিছত ধাৰাসাৰ বৰষুণ আৰম্ভ হ'ল। আল্লাহৰ শপত! আমি ছয় দিনলৈকে সূৰ্য্য দেখা পোৱা নাছিলোঁ। ইয়াৰ পিছৰ জুমুআত সেই দুৱাৰেৰেই এজন ব্যক্তি সোমাই আহিল, ইপিনে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লাম থিয় হৈ খুতবা দি আছিল। ব্যক্তিজনে তেখেতৰ সন্মুখত থিয় হৈ ক'লেঃ হে আল্লাহৰ ৰাছুল! ধন-সম্পদ বিনষ্ট হৈ যাব ধৰিছে আৰু (ধাৰাসাৰ বৰষুণৰ কাৰণে) বাট-পথ বন্ধ হৈ পৰিছে। আপুনি আল্লাহৰ ওচৰত দুআ কৰক তেওঁ যেন আমাৰ পৰা এই বৰষুণ বন্ধ কৰে। আনাছে কৈছেঃ তেতিয়া ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে দুয়ো হাত উত্তোলন কৰি এই বুলি দুআ কৰিলেঃ "আল্লাহুম্মা হাৱালাইনা অলা আলাইনা, আল্লাহুম্মা আলাল আকামি অজ্জিৰাব, অবুতূনিল আউদিয়াতি অমানাবিতিশ্ব শ্বাজাৰ।" আনাছে কৈছেঃ দুআৰ পিছতেই বৰষুণ বন্ধ হৈ গ'ল, আৰু আমি ৰ'দৰ মাজত ঘৰলৈ উভতিলোঁ। (এই হাদীছটোৰ এজন বৰ্ণনাকাৰী) শ্বাৰীকে কৈছেঃ মই আনাছক সুধিছিলোঁ যে, এই ব্যক্তিজনেই সেইজন নেকি, যিয়ে প্ৰথম দিনা দুআ কৰিবলৈ কৈছিল? তেওঁ কৈছেঃ "মই নাজানো"।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

এজন বেদুঈন (গাঁৱলীয়া আৰবীয়ান ব্যক্তি) জুমুআৰ দিনা মছজিদে নবৱীৰ পশ্চিমফালৰ দুৱাৰেৰে মছজিদত প্ৰৱেশ কৰিলে, এই দুৱাৰটো ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ ঘৰৰ ফালে আছিল। সেই সময়ছোৱাত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে খুতবা দি আছিল। ব্যক্তিজনে সোমাই আহি নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সন্মুখত থিয় হৈ ক'লেঃ হে আল্লাহৰ ৰাছুল! জীৱ-জন্তুবোৰ ধ্বংস হোৱাৰ উপক্ৰম হৈছে, ৰাস্তাঘাটৰ অৱস্থা নিমাওমাও হৈ পৰিছে, মানুহৰ ঘৰচীয়া পশুবোৰ মৰিবলৈ আৰম্ভ কৰিছে অথবা ভোক পিয়াহত দুৰ্বল হৈ পৰিছে। গতিকে আপুনি আল্লাহৰ ওচৰত আমাৰ বাবে বৰষুণ বিচাৰি দুআ কৰক এই শুনি ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে দুয়ো হাত উত্তোলন কৰি ক'লেঃ হে আল্লাহ! আমাৰ ওপৰত পানী বৰ্ষণ কৰা, হে আল্লাহ! আমাৰ ওপৰত পানী বৰ্ষণ কৰা, হে আল্লাহ! আমাৰ ওপৰত পানী বৰ্ষণ কৰা। আনাছ বিন মালিক

ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ আল্লাহৰ শপত! সেই সময়ত আকাশত এটুকুৰাও মেঘ নাছিল। আমি অৱস্থান কৰা মছজিদৰ আৰু মছজিদৰ পশ্চিমফালে অৱস্থিত ছিলা পাহাৰৰ মধ্যৱৰ্তী স্থানত চাবলৈ বাধা হ'ব পৰা কোনো ঘৰ দুৱাৰো নাছিল। সাধাৰণতে সেই ফালৰ পৰাই মেঘ আহিছিল। আনাছ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ ইয়াৰ পিছত সেই পাহাৰৰ পিছফালৰ পৰা এটুকুৰা গোলাকাৰ মেঘ উৰি আহিল, যিটোৰ আকাৰ আছিল ঢালৰ নিচিনা সৰু। সেই মেঘ টুকুৰা মদীনাৰ আকাশৰ মাজত আহি বিয়পি পৰিল আৰু লগে লগে বৰষুণ আৰম্ভ হৈ গ'ল। আল্লাহৰ শপত! এই বৰষুণৰ ফলত আমি পৰৱৰ্তী জুমুআ পৰ্যন্ত সূৰ্য্য দেখা পোৱা নাছিলোঁ। পৰৱৰ্তী জুমুআৰ দিনা তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে খুতবা দি আছিল, সেই সময়ছোৱাতে এজন ব্যক্তি সোমাই আহে আৰু তেখেতৰ সন্মুখত আহি কয় যে, হে আল্লাহৰ ৰাছুল! জীৱ-জন্তু ধ্বংস হ'বলৈ ধৰিছে, ৰাস্তা-ঘাট বন্ধ হৈ পৰিছে, আপুনি আল্লাহৰ ওচৰত দুআ কৰক, এই বৰষুণ যাতে বন্ধ হয়। বৰ্ণনাকাৰীয়ে কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে দুয়ো হাত উত্তোলন কৰি এই বুলি দুআ কৰিলেঃ হে আল্লাহ! আমাৰ চাৰিওফালে বৰষুণ দিয়া, আমাৰ ওপৰত নহয়। হে আল্লাহ! ওখ ওখ ঠাইবোৰত বৰষুণ দিয়া, সৰু সৰু পাহাৰবোৰত বৰষুণ দিয়া, উপত্যকাবোৰত বৰষুণ দিয়া আৰু গছ পুলি গজিব পৰা ঠাইত বৰষুণ দিয়া। আনাছ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ এই দুআৰ লগে লগে বৰষুণ বন্ধ হৈ পৰিল আৰু আমি ৰ'দৰ মাজত ঘৰলৈ উভতিলোঁ।

http://www.sunnah.global/hadeeth/as/show/3174